## ঘটনাটো এনে ধৰণৰ

যোৱা ৭ আগষ্টত প্ৰকাশিত কে চি দাস কমাৰ্চ কলেজ সম্পৰ্কীয় বাতৰিটো সন্দৰ্ভত জনাওঁ যে প্ৰশান্ত শৰ্মা নামৰ লোকজনৰ মহাবিদ্যালয়খনত ১-৮-৯৭ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ একাউণ্টেন্সী বিভাগৰ প্ৰবক্তা হিচাপে নিযুক্তি দিয়াৰ বাবে এই চৰ্তত্তহে সিদ্ধান্ত লোৱা হৈছিল যে যদিহে তেওঁ আনকোনো ঠাইত চাকৰি কৰি আছে তেনেহ'লে প্ৰবক্তা হিচাপে যোগদান কৰাৰ দিনাই পূৰ্বৰ চাকৰিৰ পৰা তেওঁক মুকলি কৰি দিয়াৰ প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব। শ্ৰীশৰ্মাই ১-৮-৯৭ তাৰিখে মহাবিদ্যালয়খনত যোগদান কৰিবলৈ আহে যদিও তেওঁ তেতিয়ালৈকে চাকৰি কৰি থকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাউণ্টছ বিভাগৰ পৰা তেওঁক মুকলি কৰি দিয়াৰ কোনো প্ৰমাণপত্ৰ দাখিল কৰিব নোৱাৰিলে। ইয়াৰ পৰিবৰ্তে বিশ্ববিদ্যালয়ৰ পৰা এবছৰৰ ছুটী লোৱাৰ চিঠি এখনহে তেওঁ দাখিল কৰে। নিযুক্তি পত্ৰৰ চৰ্ত পূৰণ কৰিবলৈ অসন্মত হোৱা বাবেহে প্ৰশান্ত শৰ্মাক যোগদান কৰিবলৈ দিয়া হোৱা নাছিল। আনহাতে প্ৰশান্ত শৰ্মাক মহাবিদ্যালয়ৰ কোনেও বেয়া ব্যৱহাৰ কৰাতো বাদেই, তেওঁহে ওলোটাই উচ্চস্বৰত আমাক গালি-গালাজ কৰিছিল।

সুৰজিত মিত্ৰ
সচিব, পৰিচালনা সমিতি
কে চি দাস কমাৰ্চ কলেজ।

" অসমীয়া প্ৰতিদিন" 9th AUG. 1997